# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date : 18-06-2025**
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ক্ৰয়েছিয়া আৰু ভাৰতৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ এটা নতুন অধ্যায় হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী প্ৰথমবাৰৰ বাবে জাগ্ৰেবত উপস্থিত হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ অন্তৰ্ভুক্তি তথা প্ৰতিষ্ঠানসমূহৰ বিশেষজ্ঞতাৰ ব্যৱহাৰৰ জৰিয়তে সামৰিক সক্ষমতা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব দিছে।

৩। মিছাইল আৰু আকাশমাৰ্গেৰে কৰা আক্ৰমণেৰে আজি ইজৰাইল আৰু ইৰানৰ মাজৰ সংঘৰ্ষই আজি ছদিন অতিক্ৰম কৰিছে। ***আৰু***

৪। উমৈহতীয়া পেঞ্চন আঁচনিয়ে সামৰি লোৱা কেন্দ্ৰীয় চৰকাৰৰ সকলো কৰ্মচাৰীয়ে এতিয়া অৱসৰ আৰু মৰনোত্তৰ গ্ৰেচুইটি সা-সুবিধা লাভ কৰিব।

ooooo

ক্ৰয়েছিয়া আৰু ভাৰতৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ এটা নতুন অধ্যায় হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী প্ৰথমবাৰৰ বাবে জাগ্ৰেবত উপস্থিত হৈছে। প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে দেশ দুখনৰ মাজত কৌশলগত সহযোগিতা গভীৰ কৰাৰ লগতে মূল খণ্ডসমূহত চুক্তি আৰু সাংস্কৃতিক কূটনীতিৰ ক্ষেত্ৰত এক উল্লেখযোগ্য অৱদান আগবঢ়াব বুলি আশা কৰা হৈছে। এই ভ্ৰমণৰ সময়ত ভাৰত আৰু ক্ৰয়েছিয়াই বিজ্ঞান আৰু প্ৰযুক্তি, কৃষি, শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত বৃহৎ চুক্তি স্বাক্ষৰ কৰিব। বৈজ্ঞানিক সহযোগিতাৰ কাৰ্যসূচীয়ে যৌথ গৱেষণা আৰু জ্ঞানৰ বিনিময়ত উৎসাহিত কৰিব। এক বিস্তৃত কৃষি চুক্তিয়ে ৩০ টা অগ্ৰাধিকাৰ ক্ষেত্ৰ সামৰি লব। পৰিবেশ্য কলা, সংগ্ৰহালয়, পুৰাতত্ব আৰু সংবাদ মাধ্যমক সামৰি ২০৩০ চনলৈকে সাংস্কৃতিক বিনিময় কাৰ্যসূচী বৃদ্ধিৰ ক্ষেত্ৰতো চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। জাগ্ৰেব বিশ্ববিদ্যালয়ত হিন্দী বিভাগ প্ৰৱৰ্তনৰ জৰিয়তে ভাৰতৰ ভাষিক আৰু শৈক্ষিক প্ৰসাৰৰ আশা কৰা হৈছে। সন্ত্ৰাসবাদৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি আৰু ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী আসন লাভ কৰাৰ বাবে ক্ৰয়েছিয়াৰ পৰা সমৰ্থন পোৱাত প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে সহায় কৰিব। ভাৰত-ইউৰোপীয় সংঘৰ মাজত মুক্ত বাণিজ্য চুক্তি, ইউৰোপ, মধ্যপ্ৰাচ্য আৰু ভাৰতৰ মাজত সংযোগ কৰিড'ৰ বহল কৰাৰ ক্ষেত্ৰতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ক্ৰ য়েছিয়া ভ্ৰমণে সুদূৰপ্ৰসাৰি প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ অন্তৰ্ভুক্তি তথা প্ৰতিষ্ঠানসমূহৰ বিশেষজ্ঞতাৰ ব্যৱহাৰৰ জৰিয়তে সামৰিক সক্ষমতা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব দিছে। তেওঁ কয়, যে দেশে ব্যক্তিগত খণ্ডৰ

প্ৰতিষ্ঠানসমূহক একত্ৰিত কৰি পৃথিৱীৰ ভিতৰতে সামৰিক সেৱাতন্ত্ৰৰ সৈতে জড়িত সামগ্ৰী নিৰ্মাণৰ বাবে এখন উন্নত বজাৰ গঢ় দিয়াৰ পদক্ষেপ গ্ৰহণ কৰিব পাৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ভাৰতীয় কৰ্পৰেট আইন সেৱা, সামৰিক বিমান ব্যৱস্থাৰ গুণগত মানৰ আশ্বাস সেৱা আৰু কেন্দ্ৰীয় শ্ৰম সেৱাৰ সৈতে পৰীক্ষামূলকভাৱে জড়িত ব্যক্তিসকলৰ সৈতে মত বিনিময় কৰে। আনহাতে তেওঁ প্ৰশাসনিক সেৱাত নিয়োজিত বিষয়াসকলক উদ্দেশ্যি কয়, যে তেওঁলোকৰ সিদ্ধান্ত আৰু কৰ্মৰ ধাৰাই জনসাধাৰণৰ জীৱন পৰিৱৰ্তন কৰাৰো ক্ষমতা ৰাখে। তেঁও লগতে বিষয়াসকলক সঠিক শাসন ব্যৱস্থা, স্বচ্ছতা আৰু দায়বদ্ধতাৰে নিজৰ কৰ্তব্য কৰি যোৱাৰ বাবেও আহ্বান জনায়।

০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিৱসাগৰৰ ভটিয়াপাৰৰ অ' এন জি চিৰ গেছ নিৰ্গমন সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিস্থিতিৰ অৱনতি ৰোধ কৰাৰ বাবে অ' এন জি চিক যুদ্ধকালীন তৎপৰতাৰে গেছ নিৰ্গমন নিয়ন্ত্ৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিবলৈ পত্ৰখনৰ জৰিয়তে অনুৰোধ জনাইছে। তেওঁ লগতে স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে অ' এন জি চিয়ে অধিক সক্ৰিয়তাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে বুলি মত পোষণ কৰে। ৰাজ্য চৰকাৰে প্ৰভাৱিত লোকসকলক সকলোধৰণৰ সাহায্য আগবঢ়াইছে বুলিও তেওঁ মন্তব্য কৰে।

তেল আৰু প্ৰাকৃতিক গেছ নিগম, অ' এন জি চিয়ে শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰত গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে দেশ-বিদেশৰ বিশেষজ্ঞৰ পৰামৰ্শ অনুযায়ী কাম কৰি আছে যদিও পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰণ হোৱা নাই। প্ৰতিষ্ঠানটোৱে গেছ নিৰ্গমন হৈ থকা ১৪৭ নম্বৰ ৰিগৰ খননৰ দায়িত্বত থকা এছ কে পেট্ৰ' নামৰ ব্যক্তিগত খণ্ডৰ কোম্পানীটোৰ বিৰুদ্ধে নিজাববীয়াকৈ তদন্ত আৰম্ভ কৰিছে।

০০০০০

সাহিত্য একাডেমীয়ে ২০২৫ বৰ্ষৰ যুৱ সাহিত্য আৰু শিশু সাহিত্য বঁটা লাভ কৰা ব্যক্তিসকলৰ নামৰ তালিকা প্ৰকাশ কৰিছে। অসমৰ সুপ্ৰকাশ ভূঞাঁলৈ **কুঁচিয়ানামা** শীৰ্ষক চুটি গল্প সংকলনৰ বাবে যুৱ সাহিত্য বঁটা আৰু সুৰেন্দ্ৰ মোহন দাসলৈ **মইনাহঁতৰ পদ্য**ৰ বাবে শিশু সাহিত্য বঁটা আগবঢ়োৱা হৈছে। অমৰ খুংগুৰ বড়োৱে বড়ো ভাষাত লিখা **অং অচুৰ** কবিতা সংকলনৰ বাবে যুৱ সাহিত্য বঁটা আৰু বিনয় কুমাৰ ব্ৰহ্মই **খান্থি বৌচন আৰ' আখু ডানাইশিশু** গল্প সংকলনৰ বাবে শিশু সাহিত্য বঁটা লাভ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বঁটা লাভ কৰা চাৰিওজন সাহিত্যিকলৈ অভিনন্দন জ্ঞাপন কৰিছে। শ্ৰীসোণোৱালে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ভাষা-সাহিত্যৰ উৎকৰ্ষ সাধনেৰে অসমৰ জাতীয় জীৱনক সমৃদ্ধ কৰা এই যাত্ৰা অব্যাহত ৰাখিবলৈ তেওঁলোকক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

মিছাইল আৰু আকাশমাৰ্গেৰে কৰা আক্ৰমণেৰে আজি ইজৰাইল আৰু ইৰানৰ মাজৰ সংঘৰ্ষই আজি ছদিন অতিক্ৰম কৰিছে। তেহৰানত হোৱা বিস্ফোৰণৰ পাছত কেন্দ্ৰীয় চালিত আৰু অস্ত্ৰ উৎপাদনৰ এলেকাসমূহ আক্ৰমণ কৰাৰ কথা ইজৰাইলে নিশ্চিত কৰিছে। হাইপাৰচনিক ফাতেহ প্ৰজেক্টাইলকে ধৰি আন বহুতো মিছাইলেৰে ইৰানে, ইজৰাইলৰ বিমান সামৰিক ব্যৱস্থাৰ জৰিয়তে আক্ৰমন কৰে। ইজৰাইলৰ সামৰিক বাহিনীয়ে জনাইছে যে

তেহৰানত থকা কেন্দ্ৰ চালিত উৎপাদন এলেকা আৰু একাধিক অস্ত্ৰ নিৰ্মাণকাৰী ব্যৱস্থাসমূহ নস্যাৎ কৰাৰ বাবে আক্ৰমন চলোৱা হৈছিল। পঞ্চাশ খনতকৈও বেছি ফাইটাৰ জেট এৰোপ্লেনে এই আক্ৰমনত অংশ লৈছিল। ইজৰাইলৰ সামৰিক বাহিনীয়ে ইয়াৰ লগতে আৰু বহুতো অস্ত্ৰ উৎপাদনকাৰী অঞ্চলক লক্ষ্য কৰি লোৱা হৈছিল বুলি জানিবলৈ দিছে। আন্তৰাষ্ট্ৰীয় পৰমানু শক্তিকেন্দ্ৰই এই আক্ৰমনৰ কথা নিশ্চিত কৰিছে। আনহাতে ইৰানৰ নেতা আয়াতুল্লা আলি খামেনেই ইজৰাইলক সতৰ্কবাণী প্ৰেৰণ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে খামেনেই কৈছে যে যুদ্ধ ইতিমধ্যেই আৰম্ভ হৈছে। তেওঁ লগতে কয় যে ইৰানে ইজৰাইলক সঠিক প্ৰত্যুত্তৰ দিব লাগিব। ইয়াৰ পূৰ্বে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰানক আত্মসমৰ্পন কৰাৰ বাবে আহ্বান জনাইছিল। ইজৰাইলৰ সামৰিক মুখপাত্ৰ এফি ডেফ্ৰিনে কয় যে যোৱা ৫ টা দিনত ইজৰাইলৰ সামৰিক বাহিনীয়ে ইৰানৰ এহেজাৰ এশটা লক্ষ্যত আক্ৰমন চলাইছিল।

০০০০০

আহমেদাবাদৰ বিমান দুৰ্ঘটনাত নিহত হোৱা ব্যক্তিসকলক চিনাক্ত কৰাৰ বাবে চলোৱা ডি এন এ পৰীক্ষাত এতিয়ালৈকে ১৯০ টা নমুনা চিনাক্ত কৰা হৈছে। আহমেদাবাদৰ অসামৰিক চিকিৎসালয়ৰ চিকিৎসা অধীক্ষক ডাঃ ৰাকেশ যোশীয়ে জনাইছে যে, বৰ্তমানলৈকে মৃতদেহৰ শৰীৰৰ অংশৰ ১৫৭ টা নমুনা পৰিয়ালৰ হাতত অৰ্পন কৰা হৈছে। আনহাতে, বিমানখনত যাত্ৰা কৰা একমাত্ৰ জীৱিত যাত্ৰী বিশ্বাস কুমাৰক কালি হস্পিতালৰ পৰা ঘৰলৈ যাবলৈ অনুমতি দিয়া হৈছে। তেওঁ লগতে জনায় যে হস্পিতালখনত ভৰ্তি হৈ থকা বি-জে মেডিকেল কলেজৰ কাষৰীয়া আবাসিক এলেকাৰ দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হোৱা ৭১ জন ব্যক্তিৰ ৩ জনৰ ইতিমধ্যে মৃত্যু ঘটিছে। উল্লেখযোগ্য যে এই দুৰ্ঘটনাত ৮ জন স্থানীয় ব্যক্তিৰ লগতে ৪ জন চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ্থীয়েও প্ৰাণ হেৰুৱাইছিল।

০০০০০

উমৈহতীয়া পেঞ্চন আঁচনিয়ে সামৰি লোৱা কেন্দ্ৰীয় চৰকাৰৰ সকলো কৰ্মচাৰীয়ে এতিয়া অৱসৰ আৰু মৰনোত্তৰ গ্ৰেছুইটি সা-সুবিধা লাভ কৰিব। এন ডি এ চৰকাৰৰ এঘাৰ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে অনুষ্ঠিত এখন সংবাদমেলত ভাষণ দি কৰ্মচাৰী ৰাজহুৱা ওজৰ আপত্তি আৰু পেঞ্চন মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে এইদৰে কয়। তেওঁ লগতে কয় যে এই পদক্ষেপে চৰকাৰী কৰ্মচাৰীসকলৰ মাজত অৱসৰৰ সুবিধাসমূহৰ ক্ষেত্ৰত সমতা স্থাপন কৰিব। এই নতুন ব্যৱস্থাই ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাৰ অধীনত সকলো শ্ৰেণীৰ চৰকাৰী কৰ্মচাৰীৰ সামাজিক সুৰক্ষা নিশ্চিত কৰাৰ লগতে চৰকাৰৰ দায়বদ্ধতা প্ৰতিফলিত কৰিব।

কেন্দ্ৰীয় চৰকাৰে বিগত ১০ বছৰত চৰকাৰী চাকৰিৰ খালী পদ পূৰণৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা এঘাৰ বছৰত হোৱা প্ৰশাসনিক সংস্কাৰসমূহ কেৱল শাসন ব্যৱস্থাতেই সীমাবদ্ধ নাথাকি ইয়াৰ সূদূৰপ্ৰসাৰী প্ৰভাৱ আছিল বুলিও মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে। তেওঁ কয়, যে প্ৰযুক্তিৰ সহায়ত সহজভাৱে জীৱন যাপন কৰাৰ বাবে ইতিমধ্যে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০

সমাপ্ত